**চন্দ্ৰকুমাৰ আগৰৱালা ঃ** (১৮৬৭-১৯৩৭) ঃ ‘জোনাকী’ৰ প্ৰথম সম্পাদক আৰু অসমীয়া সাহিত্যত গীত-কবিতাৰ প্ৰকৃত প্ৰৱৰ্তক চন্দ্ৰকুমাৰৰ জন্ম হয় তেজপুৰৰৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজানত । তেওঁ হৰিবিলাস আগৰৱালাৰ পুত্ৰ আছিল। কলিকতাতে তেওঁ স্কুলীয়া আৰু কলেজীয়া শিক্ষা লাভ কৰে; কিন্তু বি.এ. পৰীক্ষা নিদি ব্যৱসায়ত ধৰে । তেওঁ লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ সৈতে লগ লাগি ১৮৮৯ খ্ৰীষ্টাব্দত ‘জোনাকী’ কাকত উলিয়ায় । তেওঁৰ প্ৰতিষ্ঠিত ‘আসাম প্ৰিন্টাৰ্চ এণ্ড পাব্লিছাৰ্চ লি. কোম্পানী’য়ে লেখকসকলক যি সুবিধা দিছিল সি দৰাচলতে প্ৰশংসনীয় । ১৯১৮ চনত সাদিনীয়া বাতৰি ‘অসমীয়া’ উলিয়ায়, এই কাকতেই পিছত তিনিদিনীয়া আৰু শেষত ‘দৈনিক অসমীয়া’ত ৰূপান্তৰিত হয় । বেজবৰুৱাৰ ‘বাঁহী’খনো শেষৰ কেইবছৰ তেওঁৰ ছপাখানাতে ছপা হৈ সাহিত্যৰ যোগান ধৰিছিল । গুৱাহাটীৰ ‘নিউপ্ৰেছ’ আৰু

কেইবাখনো চাহ বাগিছা এওঁৰ ব্যৱসায় পটুতাৰ পৰিচায়ক । ১৯৩৭ চনত গুৱাহাটীৰ নিজ ঘৰত তেওঁৰ মৃত্যু হয় ।

ব্যৱসায়ী বুদ্ধিত যেনেকৈ চন্দ্ৰকুমাৰ তীক্ষ্ণ আছিল তেনেকৈ সাহিত্যৰ ক্ষেত্ৰতো আগশাৰীৰ আছিল । ব্যৱসায় বুদ্ধি আৰু সাহিত্যপ্ৰীতি এই দুয়োটা পৰস্পৰ বিৰোধী গুণ চন্দ্ৰকুমাৰে লাভ কৰিছিল উত্তৰাধিকাৰ সূত্ৰে পিতৃ হৰিবিলাস আগৰৱালাৰপৰা । হৰিবিলাস আগৰৱালাই পোনপ্ৰথমে পুৰণি অসমীয়া সাহিত্যক পোহৰলৈ আনে । 'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ গীতি-কবিতাটিয়েই আধুনিক কবিতাৰ শুভাৰম্ভ । জোনাকী যুগৰ সাহিত্যিক আন্দোলনৰ তেওঁ অন্যতম গুৰিয়াল আছিল। জোনাকীত প্ৰকাশ পোৱা তেওঁৰ গীতি-কবিতাসমূহেই অসমীয়া গীতি-কবিতাৰ পৰম্পৰা সৃষ্টি কৰাত সহায় কৰে বুলি ক'ব পাৰি । জোনাকীত প্ৰকাশ পোৱা আৰু পিছত লেখা কবিতাৰ প্ৰথম থূলটো হ'ল 'প্ৰতিমা' (১৯১৩)। বেজবৰুৱাই উক্ত পুথিৰ আলোচনা প্ৰসঙ্গত লেখিছিল—"প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ" । তেওঁৰ দ্বিতীয় কবিতাৰ পুথি 'বীণ-বৰাগী' (১৯২৩) । বাঁহীত প্ৰকাশ পোৱা কবিতাৰ সমষ্টিয়েই 'বীণ-বৰাগী'; 'প্ৰতিমা'ত দুকুৰি পাঁচটা আৰু 'বীণ-বৰাগী'ত বাৰটা গীতি-কবিতা সন্নিবিষ্ট হৈছে । 'প্ৰতিমা'ত কবিয়ে জগতৰ বৰ্ণ-বৈভৱৰ ৰামধেনুছটাত আপ্লুত হৈছে ; যৌৱনৰ স্বাভাৱিক সৌন্দৰ্যস্পৃহাৰ ই প্ৰকাশ । অৱশ্যে কবিৰ কাব্যসত্তাৰ মৌলিক বৈশিষ্ট্যখিনিয়ে ইয়াত ভুমুকি নমৰাকৈ থকা নাই । কিন্তু 'বীণ-বৰাগী'ত কবিৰ দৃষ্টি বহিঃসৌন্দৰ্যতকৈ অন্তৰৰ সৌন্দৰ্যৰ প্ৰতিহে নিবন্ধ হৈছে। 'প্ৰতিমা'ৰ ফুলা সৰিয়হডৰা, পখিলা বা ফুলৰ চাৰিওফালে গুণগুণাই ফুৰা ভোমোৰা বা নিয়ৰৰ টোপালে কবিৰ মন যেনেকৈ আকৃষ্ট আৰু আপ্লুত কৰিছে 'বীণ-বৰাগীত' অধিক অন্তৰ্মুখী হৈ আনন্দতীৰ্থৰ পথত আগবাঢ়িছে আৰু মানুহৰ আপাত দানৱৰূপৰ অন্তৰালত প্ৰকৃত দেৱৰূপৰ সন্ধান পাইছে আৰু মুকলি মনৰ মানৱ মূৰ্তিৰ অকলঙ্ক মধুৰিমা দেখা পাইছে। সংখ্যাত তাকৰ হ'লেও এই দুখন কবিতাৰ পুথিয়ে চন্দ্ৰকুমাৰৰ উচ্চ আৰু প্ৰতিভাৰ পৰিচয় দিয়ে । তেওঁৰ কবিতাৰ বিষয়বস্তুত দৰ্শনৰ গুৰু-গাম্ভীৰ্য আৰু প্ৰকাশভঙ্গীত লোকগীতৰ লয়লাস পোৱা যায় । সৌন্দৰ্যৰ সন্ধান, মানৱপ্ৰীতি. বৈদান্তিক প্ৰভাৱ বা অদ্বৈতদৃষ্টি, বৈষম্যপূৰ্ণ পুৰণি পৃথিৱীক ধ্বংস কৰি সাম্যভাৱৰ ওপৰত প্ৰতিষ্ঠিত নতুন সমাজৰ আহ্বান আৰু সবল আশাবাদ চন্দ্ৰকুমাৰৰ কবিতাৰ বিশেষত্ব । তেওঁৰ দৃষ্টিত সত্য আৰু সুন্দৰৰ প্ৰভেদ নাই । তেওঁৰ দৃষ্টিত "মানুহেই দেৱ, মানুহেই সেৱ, মানুহেই পৰাৎপৰ"। মানৱৰ নীচতা আৰু স্বাৰ্থপৰতা দেখি 'ক্ৰোধসংৰক্তনয়ন' হ'লেও মানৱৰ অসীম সম্ভাৱনা সম্পৰ্কে আস্থা হেৰুৱা নাই । দিব্যদৃষ্টিৰে কবিয়ে দেখা পাইছে মুকলি আকাশ, মুকলি বতাহৰ তলত মানৱৰ অকলঙ্ক মধুৰিমা । মুকলি মনৰ দাপোণত প্ৰতিবিম্বিত হৈছে মানুহৰ মহত্ব আৰু দেৱত্ব । পুৰণি লোকগীতত নতুন ভাব আৰু ৰূপ আৰোপ কৰি 'পুৰণি পৃথিৱীক নকৈ চলাবলৈ'

তেওঁ চেষ্টা কৰিছিল । তেজীমলা, জলকুঁৱৰী আদি কবিতাত লোকগীতৰ প্ৰভাব মনকৰিবলগীয়া আৰু এই শ্ৰেণীৰ কবিতাত অতিভৌতিক পৰিবেশৰ (Supernatural ) সাৰ্থকতা প্ৰযোগে চন্দ্ৰকুমাৰৰ কবিতাত প্ৰাচ্য আৰু পাশ্চাত্য ভাবাদৰ্শ আৰু কাব্যৰীতিৰ অপূৰ্ব সংযোগ ঘটাইছে ; কিন্তু তেওঁ যি পৰিমাণে ভাবুক সেই পৰিমাণে শিল্পী নাছিল । তেওঁৰ ভাবসত্তাই সকলো সময়তে সৌন্দৰ্যময় ৰূপ পৰিগ্ৰহণ কৰিব পৰা নাই । ভাবৰ গাম্ভীৰ্যই লালায়িত গতি লাভ কৰিব পৰা নাই ।